# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-03-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

অসমৰ বিকাশ আৰু আন্তঃগাঁথনি উন্নত কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে ৰাজ্যখনত ৩ লাখ কোটি টকাৰ প্ৰকল্পৰ কাম কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দেৰগাঁৱত ১৬৭ কোটি ৪০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা লাচিত বৰফুকন পুলিচ একাডেমী মুকলি কৰি এই কথা ঘোষণা কৰে। তেওঁ লগতে ৪২৫ কোটি ৪৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া লাচিত বৰফুকন পুলিচ একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে। শ্ৰীশ্বাহে দেৰগাঁৱত এখন বিশাল জনসভাতো ভাষণ দিয়ে। ভাষণত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে অহা পাঁচ বছৰত লাচিত বৰফুকন পুলিচ একাডেমী দেশৰ ভিতৰতে প্ৰথম স্থানৰ একাডেমী হিচাপে পৰিগণিত হ'ব। লাচিত বৰফুকনৰ দৰে জাতীয় বীৰৰ বিষয়ে ইমান দিনে সকলোৰে জনা নাছিল বুলি উল্লেখ কৰি তেওঁ কয় যে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এতিয়া লাচিত বৰফুকনক ৰাষ্ট্ৰীয় পৰ্যায়ত চিনাকি কৰি দিছে। লাচিত বৰফুকনৰ জীৱনী ২৩টা ভাষালৈ অনুবাদ হৈছে বুলি উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে দেশৰ সকলো পুথিভঁৰালত এতিয়া লাচিত বৰফুকনৰ জীৱনী গ্ৰন্থ আছে। ছেমি কণ্ডাক্টৰ প্ৰকল্পই ৰাজ্যখনৰ ছবি সলনি কৰিব বুলি প্ৰকাশ কৰি শ্ৰীশ্বাহে কয়, যে কৰ্মসংস্থাপন বিচাৰি অনাগত সময়ত বহিঃৰাজ্যৰ পৰা অসমলৈ যুৱক-যুৱতীৰ সোঁত ব'ব। এসময়ত সন্ত্ৰাসজৰ্জৰ পৰিৱেশে বিৰাজ কৰা ৰাজ্যখন বৰ্তমান প্ৰগতিৰ পথত আগবাঢ়িছে বুলি তেওঁ উল্লেখ কৰে।

আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজিৰ দিনটোক অসম আৰক্ষীৰ বাবে সোণালী দিন বুলি অভিহিত কৰি কয়, যে লাচিত বৰফুকন পুলিচ একাডেমীত এখন আৰক্ষী চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হ'ব আৰু ইয়াৰ জৰিয়তে আৰক্ষীৰ লগতে সাধাৰণ ৰাইজেও উপকৃত হ'ব। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ নিৰৱচ্ছিন্ন প্ৰয়াসৰ ফলত আইন শৃংখলাৰ দিশত আজিৰ অসমে নতুন দিশলৈ গতি কৰিছে বুলি তেওঁ কয়।

অনুষ্ঠানৰ পাছতে গৃহমন্ত্ৰীগৰাকীয়ে বিমানযোগে আইজললৈ যাত্ৰা কৰে। তাত তেওঁ দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ প্ৰায় ডেৰশ বছৰ পুৰণি ছাউনীটো আইজল নগৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখ'ছাওলৈ স্থানান্তৰ কৰা অনুষ্ঠানত ভাগ ল'ব। আছাম ৰাইফলছৰ ছাউনীটো জোখ'ছাওলৈ স্থানান্তৰ কৰাৰ পৰিপ্ৰেক্ষিতত মিজো লোকসকলৰ দীৰ্ঘদিনীয়া আশা পূৰণ হ'ব। সেয়েহে গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণ অতি গুৰুত্বপূৰ্ণ আৰু ঐতিহাসিক বুলি বিবেচনা কৰা হৈছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী কাইলৈ গুৱাহাটীলৈ উভতি আহিব আৰু কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব। নতুন দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে তেওঁ

গুৱাহাটীৰ হোটেল ৰেডিশ্বন ব্লুত ভাৰতীয় ন্যায় সংহিতাৰ ৰূপায়ণ সন্দৰ্ভত উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০

আজি বিশ্ব গ্ৰাহক অধিকাৰ দিৱস। গ্ৰাহকসকলৰ অধিকাৰ আৰু ইয়াৰ সুৰক্ষা সুনিশ্চিত কৰা প্ৰয়োজনীয়তাক সোঁৱৰাই দিয়াৰ উদ্দেশ্যে প্ৰতি বছৰে ১৫ মাৰ্চত এই দিৱস উদযাপন কৰা হয়। এই দিৱসে সকলো গ্ৰাহকৰে প্ৰাথমিক অধিকাৰসমূহৰ বিষয়ে গুৰুত্ব আৰোপ, এই অধিকাৰসমূহক সন্মান আৰু সুৰক্ষিত কৰা কাৰ্যক উদগনি যোগোৱাৰ সুযোগ দিয়ে। ২০২৫ বৰ্ষৰ বিশ্ব গ্ৰাহক অধিকাৰ দিৱসৰ মূল বিষয়বস্তু হৈছে- **বহনক্ষম জীৱন শৈলীৰ বাবে ন্যায়সংগত পৰিৱৰ্তন**। কেন্দ্ৰীয় চৰকাৰে গ্ৰাহকসকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ উদ্দেশ্যে আৰু তেওঁলোকৰ ওজৰ আপত্তিসমূহ সোনকালে নিষ্পত্তি কৰাৰ বাবে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে।

দক্ষিণ শালমাৰা জিলাৰ হাটশিঙিমাৰীত আজি মানকাচৰ জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত বিশ্ব গ্ৰাহক অধিকাৰ দিৱস পালন কৰা হয়। এই অনুষ্ঠানত কেইবাগৰাকীও বিভাগীয় বিষয়াৰ লগতে অধিবক্তাও উপস্থিত থাকে। এই অনুষ্ঠানত উপস্থিত থকা অতিথিসকলে গ্ৰাহকৰ লগত জড়িত আইন সম্পৰ্কে গুৰুত্বপূৰ্ণ ভাষণ দি গ্ৰাহকৰ অধিকাৰক লৈ সজাগতা সৃষ্টি কৰে।

০০০০০

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ অন্তিম দিনটোত ভালেসংখ্যক প্ৰাৰ্থীয়ে তেওঁলোকৰ মনোনয়ন পত্ৰ দাখিল কৰে। পৰিষদৰ অন্তৰ্গত মুঠ ৩৬টা সমষ্টিৰ ভিতৰত গোৱালপাৰা জিলাত ২০টা আৰু কামৰূপ জিলাত থকা ১৬টা সমষ্টি আছে। গোৱালপাৰা জিলাৰ ২০টা সমষ্টিৰ মনোনয়ন পত্ৰ বিতৰণ আৰু গ্ৰহণৰ বাবে জিলাখনৰ প্ৰশাসনে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ বহুমুখী ভৱনত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। এই ২০টা পৰিষদীয় সমষ্টিৰ বাবে দলীয় আৰু নিৰ্দলীয় যথেষ্টসংখ্যক প্ৰাৰ্থীয়ে বিয়লি ৩ বজালৈকে মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰ ভিতৰত অন্যতম ৰাভা-হাচঙৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাও আছে। তেওঁ ৭ নম্বৰ দক্ষিণ দুধনৈ সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰে।

কামৰূপ জিলাৰ ১৬টা পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থীসকলে সংশ্লিষ্ট সহকাৰী ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ মনোনয়ন পত্ৰসমূহ দাখিল কৰে। এইবেলি ৰাভা-হাচং পৰিষদীয় নিৰ্বাচনত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি আৰু বিজেপিৰ দলে পূৰ্বৰ মিত্ৰতা অক্ষুণ্ণ ৰাখি নিৰ্বাচনত অৱতীৰ্ণ হৈছে। সেয়েহে ৩৬টা পৰিষদীয় সমষ্টিৰ ভিতৰত ৩০টাত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি আৰু ৬টা বিজেপি দলে প্ৰাৰ্থী দিয়ে। ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ মুখ্য আহ্বায়ক টংকেশ্বৰ ৰাভাৰ নেতৃত্বত দুয়োটা দলৰ প্ৰাৰ্থীসকলে গোৱালপাৰা চহৰৰ বিহু খেলপথাৰৰ পৰা সমদল কৰি জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ মনোনয়ন পত্ৰ দাখিল কৰে। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া আৰু সাংসদ বিজুলী কলিতা মেধিও সমদলত সংগ দিয়ে। অহা ১৭ মাৰ্চত মনোনয়ন পত্ৰ পৰীক্ষা কৰি বৈধ মনোনয়ন পত্ৰৰ তালিকা প্ৰকাশ কৰা হ'ব। ১৯ মাৰ্চৰ বিয়লি ৩ বজালৈকে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব আৰু সেইদিনাই বিয়লি নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। অহা ২ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত কৰি ৪ এপ্ৰিলৰ দিনা ভোটগণনাৰ জৰিয়তে ফলাফল ঘোষণা কৰা হ'ব।

০০০০০

সমাপ্ত